**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-03-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। এই দিনটোতে ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমাৰ পৰিধি নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ বাবে সন্মান জনোৱা হয়। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিষয়বস্তু হৈছে- সকলো মহিলা আৰু কিশোৰীৰ বাবে ঃ অধিকাৰ, সমতা, সবলীকৰণ। এই বিষয়বস্তুৰ জৰিয়তে প্ৰতিগৰাকী মহিলাৰ বাবে সমঅধিকাৰ, ক্ষমতা আৰু সুযোগ-সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰা হৈছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মাজুলী জিলা মহিলা সমিতি আৰু আইন সাহায্য কোষৰ উদ্যোগত বনগাঁও আঞ্চলিক মহিলা সমিতিৰ সহযোগত পূব মাজুলীৰ বনগাঁৱত আজি দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক নাৰী দিৱস পালন কৰা হৈছে।

ডিব্ৰুগড় জিলাত মহিলা সৱলীকৰণ কেন্দ্ৰ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ উদ্যোগত, জিলা প্ৰশাসন আৰু অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেছনৰ সহযোগত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰশিক্ষণ হলত মহিলাৰ স্বাস্থ্য সজাগতা সন্দৰ্ভত এলানি কাৰ্যসূচী অনুষ্ঠিত হয়।

oooooo

আকাশবাণী বাতৰি বিভাগে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস কিছু ব্যতিক্ৰমীভাৱে উদযাপন কৰাৰ দিহা কৰিছে। সেই অনুসৰি কালি মাজনিশাৰে পৰা আজি সমগ্ৰ দিনটোৰ হিন্দী আৰু ইংৰাজী ভাষাৰ বাতৰি মহিলা পৰিবেশকসকলে পৰিৱেশন কৰিব। এই সময়ছোৱাত ৪৫ খন মূল বাতৰি বুলেটিনৰ উপৰি প্ৰতি ঘণ্টাৰ বাতৰি মহিলা পৰিবেশকসকলে পৰিৱেশন কৰিব আৰু বাতৰি বিভাগৰ সমগ্ৰ কাম-কাজো মহিলাসকলে সম্পন্ন কৰিব। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে বাতৰি বিভাগে আজি নিশা ৯ বাজি ১৫ মিনিটৰ পৰা ১০ বজালৈ এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব।

আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

oooooo

নিৰ্বাচন আয়োগে নকল ভোটদাতা ফটো পৰিচয় পত্ৰ অৰ্থাৎ ই পি আই চি নম্বৰৰ দীৰ্ঘদিনীয়া সমস্যাটো অহা ৩ মাহৰ ভিতৰত সমাধান কৰাৰ সিদ্ধান্ত লৈছে। আয়োগে কালি এটা বিবৃতিৰ জৰিয়তে এই কথা প্ৰকাশ কৰে। কাৰিকৰী দল আৰু সংশ্লিষ্ট মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে আলোচনাৰ অন্তত আয়োগে নকল ই পি আই চি নম্বৰ থকা ভোটদাতাসকলৰ বাবে এটা ৰাষ্ট্ৰীয় ই পি আই চি নম্বৰ সুনিশ্চিত কৰাৰ সিদ্ধান্ত লয়। এই অনন্য ই পি আই চি নম্বৰৰ জৰিয়তে এতিয়াৰে পৰা নিৰ্দিষ্ট ভোট কেন্দ্ৰত নাম উল্লেখ থকা ভোটদাতাইহে সেই ভোটকেন্দ্ৰত ভোটদান কৰিব পাৰিব। উল্লেখযোগ্য যে ৯৯ কোটিৰো অধিক ভোটদাতাই পঞ্জীয়ন কৰা ভাৰতবৰ্ষৰ ভোটদাতাৰ তালিকা হৈছে বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ ভোটদাতাৰ তথ্য সমৃদ্ধ তালিকা।

oooooo

অহা ২৯ মাৰ্চত উচ্চতৰ মাধ্যমিক একাদশ শ্ৰেণীৰ পৰীক্ষা শেষ হোৱাৰ পাছতে ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ লগতে ৰঙালী বিহুৰ পূৰ্বে পঞ্চায়ত নিৰ্বাচন শেষ নহয় বুলিও উল্লেক কৰিছে। কামৰূপ জিলাৰ আজাৰাত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত মুখ্যমন্ত্ৰীয়ে ৰঙালী বিহুৰ মাজতো পঞ্চায়ত নিৰ্বাচন চলি থকাৰ সম্ভাৱনা ব্যক্ত কৰে।

০০০০০০

নামনি মাজুলীৰ প্ৰয়াত দয়াৰাম দলে ক্ষেত্ৰত যোৱা পৰহিৰ পৰা ৫ দিনীয়াকৈ মিচিং সকলৰ পৰম্পৰাগত পঃৰাগ উৎসৱ অনুষ্ঠিত হৈছে। উৎসৱ উপলক্ষে ঐনিতম আৰু গুমৰাগ নৃত্যৰে অঞ্চলটো মুখৰিত হৈ পৰিছে। এইবাৰ চতুৰ্থবাৰৰ বাবে

০০০০০০

ডিমা হাচাও জিলাৰ উমৰাংছুৰ কয়লাখনিত শোকাবহভাৱে মৃত্যু হোৱা শ্ৰমিকৰ ঘটনা সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে ডিমা হাচাও জিলাৰ আদালতত অভিযোগনামা দাখিল কৰিছে। তদন্তকাৰী গোটৰ এটা সূত্ৰই জনোৱা অনুসৰি কয়লাখনিত শ্ৰমিকৰ মৃত্যু হোৱা ঘটনা  সন্দৰ্ভত ১২ জনকৈ লোকক অভিযুক্ত কৰি এই অভিযোগনামা দাখিল কৰা হৈছে। মূল ৫৫ পৃষ্ঠাৰ অভিযোগনামাখনত আন কেইবাশ পৃষ্ঠাৰ আনুসংগিক নথি পত্ৰও সংলগ্ন কৰা হৈছে। ইয়াৰ পূৰ্বে উমৰাংছুৰ এই ঘটনাক লৈ ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকাৰ নেতৃত্বত ন্যায়িক আয়োগ গঠন কৰাৰ লগতে এখন  বিশেষ তদন্তকাৰী গোট গঠন কৰিছিল।

০০০০০০

ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ অহা ২ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আজি ঘোষণা কৰি নিৰ্বাচনী অধিসূচনা জাৰি কৰা হয়। ইয়াৰ লগে লগে কামৰূপ জিলাৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱ কুমাৰ মিশ্ৰই বিয়লি সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে এখন সভাত মিলিত হয়। প্ৰতিনিধিসকলক ৰাভা হাচং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ সৈতে জড়িত বিভিন্ন দিশ যেনে- নিৰ্বাচনী আচৰণ  বিধি, মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া, প্ৰাৰ্থী নিৰ্বাচনী ব্যয়ৰ সীমা আদি সম্পৰ্কে অৱগত কৰে। সভাত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত প্ৰণৱ দত্ত গোস্বামী, কমল বৰুৱা, সুজাতা গগৈ, কামৰূপ জিলা নিৰ্বাচনী বিষয়া ডং ভূপালী কাশ্যপৰ লগতে সহকাৰী ৰিটাৰ্ণিং নিৰ্বাচনী বিষয়াসকল উপস্থিত থাকে।

০০০০০০

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি নাৰী অধিকাৰৰ আৰু সৱলীকৰণ সন্দৰ্ভত এলানি বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এই উদ্দেশ্যে আজি পুৱা চাৰে সাত বজাৰ পৰা নিশা দহ বজালৈকে প্ৰচাৰ হ'বলগীয়া অনুষ্ঠানসমূহত মহিলা বিষয়ক আলোচনা প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰটোৱে এই দিৱসৰ লগত সংগতি ৰাখি মৰান চাহ বাগিছাৰ সহযোগত খটখটিত এখন বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। ০০০০

০০০০০০

সমাপ্ত